জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৩৬/২০২০

<u>ৰহাস্থিত মীন মহাবিদ্যালয় পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# অসমক এখন অগ্ৰণী মৎস্য ৰপ্তানিকাৰী ৰাজ্য হিচাপে পৰিগণিত কৰাৰ দিশত এই প্ৰতিষ্ঠানখনে অগ্ৰণী ভূমিকা পালন কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৬ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নগাঁও জিলাৰ ৰহাস্থিত অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ মীন মহাবিদ্যালয় পৰিদৰ্শন কৰি মহাবিদ্যালয়খনৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰীৰ সৈতে মত-বিনিময় কৰাৰ উপৰি এই মহাবিদ্যালয়খনত প্ৰদান কৰা পাঠ্যক্ৰম আৰু প্ৰশিক্ষণসমূহৰ বুজ লয়।

মত-বিনিময়ৰ সময়ত মুখ্যমন্ত্ৰীয়ে মহাবিদ্যালয়খনৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকলক প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনাখন ৰাজ্যখনত যথোচিতভাৱে ৰূপায়ণ কৰাৰ দিশত ৰাজ্য চৰকাৰৰ মীন বিভাগক সহায়-সহযোগ আগবঢ়াবলৈ আহ্বান জনোৱাৰ উপৰি ৰাজ্যখনক দেশৰ ভিতৰতে এখন অগ্ৰণী মাছৰ ৰপ্তানি ৰাজ্য হিচাপে পৰিগণিত কৰাৰ বাবে ৰাজ্য চৰকাৰে লোৱা লক্ষ্য পূৰণৰ দিশত অৰ্থৱহ অৰিহণা আগবঢ়োৱাৰ বাবেও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ২০১৯-২০ বৰ্ষত ৰাজ্যখনে ৩.৩৫ লাখ মেট্ৰিকটন মৎস্য উৎপাদন কৰিছে আৰু প্ৰথম দুটা পৰ্যায়ৰ লক্‌ডাউনৰ সময়ছোৱাত ফিছফেডে ১৮০ কোটি টকাৰ মাছ বিক্ৰী কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে মহাবিদ্যালয়খনৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকলক ৰাজ্যখনৰ মৎস্য পালকসকলক লগ ধৰি তেওঁলোকৰ উৎপাদন দুগুণলৈ বৃদ্ধি কৰাৰ দিশত উপযুক্ত পৰামৰ্শ আগবঢ়াবলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে মৎস্য পালকসকলক শেহতীয়া প্ৰযুক্তিৰ বিষয়ে অৱগত কৰাৰ বাবেও আহ্বান জনায় যাতে এই প্ৰযুক্তি ব্যৱহাৰেৰে মৎস্য পালকসকলে লাভান্বিত হ'ব পাৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ক'ভিড-১৯ সৃষ্ট লক্‌ডাউনৰ পিছত প্ৰধানমন্ত্ৰীৰ দ্বাৰা ঘোষণা কৰা ২০ লাখ কোটি টকাৰ অৰ্থনৈতিক পেকেজত কেন্দ্ৰীয় চৰকাৰে মীন খণ্ডৰ বাবে ২০ হাজাৰ কোটি টকাৰ আৱণ্টন কৰিছে। ইয়াৰে ১০০০ কোটি টকাৰ এক প্ৰস্তাৱ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ইতিমধ্যে দাখিল কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয় যাতে অসমে এই শিতানৰ পৰা সৰ্বোচ্চ ভাৱে লাভান্বিত হ'ব পাৰে। ৰাজ্যখনৰ একমাত্ৰ মীন মহাবিদ্যালয় হিচাপে এই প্ৰতিষ্ঠানখনে ৰাজ্যখনৰ মীন খণ্ডৰ সামগ্ৰিক উন্নয়নৰ দিশত দায়বদ্ধতাৰে অৰিহণা আগবঢ়াব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে মহাবিদ্যালয়খনৰ নৱনিৰ্মিত প্ৰেক্ষাগৃহটো পৰিদৰ্শন কৰি ইয়াত উপলব্ধ বিভিন্ন সা-সুবিধাৰ বুজ লয়।

আজিৰ এই পৰিদৰ্শনৰ সময়ত বিধায়কসকলক ক্ৰমে ৰূপক শৰ্মা, আঙুৰলতা ডেকা, মীন মহাবিদ্যালয়খনৰ ডিন তথা অন্যান্য সদস্যসকল, নগাঁও জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক উপস্থিত থাকে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে নগাঁও জিলাৰ ৰাইদঙিয়াৰ কৰছুং শ্যামকানু আত্ম-সহায়ক গোটৰ মীন পুখুৰী পৰিদৰ্শন কৰি এই আত্ম-সহায়ক গোটৰ দ্বাৰা হাতত লোৱা মৎস্য উৎপাদনৰ কাম-কাজৰ বুজ লয়।

**স্বাক্ষৰ / বঃভাঃ /পুঃডেঃ**
**৬/০৮/২০২০**